# আজিম প্ৰেমজী স্ক'লাৰশ্বিপ


## প্ৰয়োজনীয় নথিপত্ৰসমূহৰ বাবে নিৰ্দেশনা

আজিম প্ৰেমজী স্ক'লাৰশ্বিপৰ আবেদন সম্পূৰ্ণ কৰিবলৈ কোন কোন নথিপত্ৰ লাগিব, সেই বিষয়ে এই নথিখনত সকলো তথ্য দিয়া আছে। আবেদন জমা দিয়াৰ আগতে অনুগ্ৰহ কৰি তলৰ নিৰ্দেশনাবোৰ ভালদৰে পঢ়ি বুজি লওক।

### 1. পাছপৰ্ট-চাইজ ফটোগ্ৰাফ

1.1. আপলোড কৰা ফটোৰ কপি মূল নথিপত্ৰৰ স্পষ্ট, ৰঙীন স্কেন কপি হ'ব লাগিব।

1.2. পাসপ'ৰ্ট আকাৰৰ ফটোখনৰ পটভূমি সাধাৰণ হ'ব লাগিব আৰু স্ক'লাৰশ্বিপৰ আবেদন কৰাৰ তাৰিখৰ আগৰ ৬ মাহৰ ভিতৰত তোলা হ'ব লাগিব।




1.3. ফটোখনত আবেদনকাৰীৰ মুখখন স্পষ্টকৈ দেখা যাব লাগিব।

1.4. ফটোখনত কোনো ইম'জি, ষ্টিকাৰ বা অন্য কোনো ফিল্টাৰ বা ফটোৰ ওপৰত লিখা কোনো লিখনী থাকিব নালাগে। ফটোখনৰ ৰং বেছি উজ্জ্বল দেখুৱাবলৈ বা মুখখন সলনি কৰিবলৈ সম্পাদনা কৰা হোৱা নালাগে।

1.5. ক'লা-বগা ফটোগ্ৰাফ, ফটোৰ স্ক্ৰীণশ্বট ফোন/কম্পিউটাৰৰ পৰা লোৱা, বা আন যিকোনো ফটোৰ পৰা ক্ৰপ কৰা ফটোৰ নথিপত্ৰ গ্ৰহণ কৰা নহ'ব।

1.6. ফাইলৰ ধৰণ JPEG, JPG বা PNG হ'ব লাগিব। ফাইলৰ আকাৰ ৩০ KBৰ পৰা ৫০০ KBৰ ভিতৰত হ'ব লাগিব। ইয়াৰ বাহিৰে অন্য কোনো ফাইলৰ ধৰণ বা আকাৰ গ্ৰহণ কৰা নহ'ব।

### 2. আধাৰ

2.1. আপলোড কৰা নথিখন মূল নথিপত্ৰৰ স্পষ্ট, ৰঙীন স্কেন কপি হ'ব লাগিব।

2.2. আধাৰত আবেদনকাৰীৰ নাম, লিংগ, জন্ম তাৰিখ আৰু ফটো স্পষ্টকৈ দেখা যাব লাগিব।

2.3. ক্ৰপ কৰি উলিওৱা, AI-ৰ সহায়ত তৈয়াৰ কৰা, বা সম্পাদনা কৰা নথিপত্ৰ গ্ৰহণ কৰা নহ'ব। যদি কোনো ধৰণৰ জালিয়াতি ধৰা পৰে, তেন্তে আবেদনকাৰীক ব্লেকলিষ্ট কৰা হ'ব।

2.4. ফাইলৰ ধৰণ JPEG/JPG/PNG/PDF হ'ব লাগিব। ফাইলৰ আকাৰ 30 KBৰ পৰা 500 KBৰ ভিতৰত হ'ব লাগিব। ইয়াৰ বাহিৰে অন্য কোনো ফাইল ধৰণ বা আকাৰ গ্ৰহণ কৰা নহ'ব।

### 3. বেংকৰ তথ্য

3.1. আবেদনকাৰীয়ে বেংকৰ প্ৰমাণ হিচাপে তলৰ যিকোনো এটা নথিপত্ৰৰ স্পষ্ট, ৰঙীন স্কেন কপি আপলোড

কৰিব লাগিব—যোৱা ১ মাহৰ বেংক একাউন্টৰ বিৱৰণী (ষ্টেটমেন্ট), অথবা বেংক পাছবুকৰ ফটো।

3.2. বেংক একাউন্টটো কেৱল আবেদনকাৰীৰ নিজৰ নামত থাকিব লাগিব আৰু ই এটা অনুসূচীত বাণিজ্যিক বেংকৰ নিয়মীয়া সঞ্চয় একাউন্ট হ'ব লাগিব। লগতে, একাউন্টটোৰ পৰিচালনাৰ ধৰণ "নিজে"(Self) হ'ব লাগিব।

3.3. আবেদন জমা দিয়াৰ আগতে আবেদনকাৰীয়ে নিশ্চিত কৰিব লাগিব যে তেওঁলোকৰ বেংক একাউন্ট সক্ৰিয় আছে, জমা দিয়া বেংকৰ প্ৰমাণপত্ৰত থকা সকলো তথ্য শেহতীয়া, তেওঁলোকৰ একাউন্টৰ জৰিয়তে ১০,০০০ টকাতকৈ অধিক ৰাষ্ট্ৰীয় ইলেক্ট্ৰনিক ধন স্থানান্তৰ (NEFT)কৰিব পৰা যায়।

### 3.4. একাউন্টৰ বিৱৰণী

3.4.1. আপলোড কৰা বেংক একাউন্টৰ বিৱৰণী মূল নথিপত্ৰৰ স্পষ্ট আৰু সম্পাদনা নকৰা স্কেন কপি হ'ব লাগিব। এই বিৱৰণী বেংকৰ পৰা জাৰি কৰা হ'ব লাগিব আৰু তাত বেংকৰ ছীল আৰু স্বাক্ষৰ থাকিব লাগিব। বেংকৰ ছীল আৰু স্বাক্ষৰ নথকা ডিজিটেল একাউন্টৰ বিৱৰণী গ্ৰহণ কৰা নহ'ব।

3.4.2. একাউন্টৰ বিৱৰণীত একাউন্টধাৰীৰ নাম, একাউন্ট নম্বৰ, আই.এফ.এছ.চি. (IFSC) ক'ড আৰু বেংক শাখাৰ তথ্য স্পষ্টকৈ দেখা যাব লাগিব।

3.4.3. সম্পাদনা কৰা, AI-ৰ সহায়ত তৈয়াৰ কৰা বা ক্ৰপ কৰি উলিওৱা নথিপত্ৰ গ্ৰহণ কৰা নহ'ব। যদি কোনো ধৰণৰ জালিয়াতি ধৰা পৰে, তেন্তে আবেদনকাৰীক কালো তালিকাভুক্ত কৰা হ'ব।

3.4.4. ফাইলৰ ধৰণ JPEG, JPG, PNG বা পি.ডি.এফ. (PDF) হ'ব লাগিব। ফাইলৰ আকাৰ 30 KBৰ পৰা 500 KB-ৰ ভিতৰত হ'ব লাগিব। ইয়াৰ বাহিৰে অন্য কোনো ফাইলৰ ধৰণ বা আকাৰ গ্ৰহণ কৰা নহ'ব।

### 3.5. পাছবুকৰ ফটো

3.5.1. বেংকৰ প্ৰমাণ হিচাপে আবেদনকাৰীৰ বেংক পাছবুকৰ প্ৰথম পৃষ্ঠাৰ স্পষ্ট আৰু সম্পাদনা নকৰা কপি আপলোড কৰিব লাগিব। এই পৃষ্ঠাত একাউন্টধাৰীৰ নাম, একাউন্ট নম্বৰ, আই.এফ.এছ.চি. (IFSC) ক'ড আৰু বেংক শাখাৰ তথ্য স্পষ্টকৈ দেখা যাব লাগিব।

3.5.2. সম্পাদনাকৰা, (AI)-ৰ সহায়ত তৈয়াৰ কৰা বা ক্ৰপ কৰি উলিওৱা নথিপত্ৰ গ্ৰহণ কৰা নহ'ব। কেৱল আই.এফ.এছ.চি. (IFSC) ক'ডহে হাতেৰে লিখা থাকিব পাৰে।যদি কোনো ধৰণৰ জালিয়াতি ধৰা পৰে, তেন্তে আবেদনকাৰীক কালো তালিকাভুক্ত কৰা হ'ব।

3.5.3. ফাইলৰ ধৰণ JPEG, JPG, PNG বা পি.ডি.এফ. (PDF) হ'ব লাগিব। ফাইলৰ আকাৰ 30 KBৰ পৰা 500 KB-ৰ ভিতৰত হ'ব লাগিব। ইয়াৰ বাহিৰে অন্য কোনো ফাইলৰ ধৰণ বা আকাৰ গ্ৰহণ কৰা নহ'ব।

## 4. দশম আৰু দ্বাদশ শ্ৰেণীৰ নম্বৰপত্ৰ

4.1. আপলোড কৰা নথিখন মূল নথিপত্ৰৰ স্পষ্ট, ৰঙীন স্কেন কপি হ'ব লাগিব।

4.2. নম্বৰপত্ৰত আবেদনকাৰীৰ নাম, বিদ্যালয়ৰ নাম, শিক্ষাৰ ধৰণ, ক্ৰমিক নম্বৰ, ৰোল নম্বৰ, উত্তীৰ্ণ হোৱাৰ বছৰ, সংশ্লিষ্ট কৰ্তৃপক্ষৰ স্বাক্ষৰ/ছিল আদি সকলো তথ্য স্পষ্টকৈ দেখা যাব লাগিব।

4.3. ফটোকপি, স্ক্ৰীনশ্বট, AI-ৰ সহায়ত তৈয়াৰ কৰা, বা ক্ৰপ কৰি উলিওৱা বা সম্পাদনা কৰা নথিপত্ৰ গ্ৰহণ কৰা নহ'ব। যদি কোনো ধৰণৰ জালিয়াতি ধৰা পৰে, তেন্তে আবেদনকাৰীক কালো তালিকাভুক্ত কৰা হ'ব।

4.4. দশম শ্ৰেণীৰ প্ৰৱেশ পত্ৰ,স্থানান্তৰ প্ৰমাণপত্ৰ বা আন কোনো নথিপত্ৰ গ্ৰহণ কৰা নহ’ব।

4.5. ফাইলৰ ধৰণ JPEG, JPG, PNG বা পি.ডি.এফ. (PDF) হ’ব লাগিব। ফাইলৰ আকাৰ 30 KBৰ পৰা 500 KB-ৰ ভিতৰত হ’ব লাগিব। ইয়াৰ বাহিৰে অন্য কোনো ফাইলৰ ধৰণ বা আকাৰ গ্ৰহণ কৰা নহ’ব।

## 5. মহাবিদ্যালয়ত নামভৰ্তিৰ প্ৰমাণপত্ৰ

5.1. আবেদনকাৰীয়ে নামভৰ্তিৰ প্ৰমাণ হিচাপে তলত দিয়া দুয়োখন বা অন্ততঃ এখন নথিপত্ৰৰ স্কেন কপি আপলোড কৰিব লাগিব— ব'না ফাইড প্ৰমাণপত্ৰ অথবা নামভৰ্তিৰ টিউচন মাচুল ৰচিদ।

5.2. আপলোড কৰা নামভৰ্তিৰ প্ৰমাণপত্ৰত আবেদনকাৰীৰ নাম, মহাবিদ্যালয়ৰ নাম, পাঠ্যক্ৰম আৰম্ভ হোৱাৰ তাৰিখ, বৰ্তমান অধ্যয়নৰ বৰ্ষ আৰু পাঠ্যক্ৰমৰ ধৰণ স্পষ্টকৈ দেখা যাব লাগিব।

5.3. নামভৰ্তিৰ প্ৰমাণপত্ৰ কম্পিউটাৰৰ জৰিয়তে প্ৰস্তুত কৰা বা প্ৰতিষ্ঠানৰ চৰকাৰী লেটাৰহেডত হাতেৰে লিখা হ’ব পাৰে। নথিপত্ৰত সংশ্লিষ্ট কৰ্তৃপক্ষৰ স্বাক্ষৰ আৰু ছিল থাকিব লাগিব। 5.2-ত উল্লেখ কৰা সকলো তথ্য স্পষ্টকৈ দেখা যাব লাগিব।

5.4. এই দুটা নথিপত্ৰৰ বাহিৰে মেছৰ মাচুল, হোষ্টেলৰ মাচুল, পৰীক্ষাগাৰৰ মাচুল, পৰীক্ষাৰ মাচুল বা আন কোনো নথিপত্ৰ গ্ৰহণ কৰা নহ’ব।

ইয়াৰ পিছত, প্ৰতিটো নথিপত্ৰৰ বিষয়ে বেলেগ বেলেগভাৱে অধিক তথ্য দিয়া হৈছে:

### 5.5. ব'না ফাইড প্ৰমাণপত্ৰ

5.5.1. নামভৰ্তিৰ প্ৰমাণপত্ৰত আবেদনকাৰীৰ নাম, মহাবিদ্যালয়ৰ নাম, পাঠ্যক্ৰম আৰম্ভ হোৱাৰ তাৰিখ, বৰ্তমান অধ্যয়নৰ বৰ্ষ, পাঠ্যক্ৰমৰ সময়সীমা আৰু পাঠ্যক্ৰমৰ ধৰণ স্পষ্টকৈ দেখা যাব লাগিব।

5.5.2. এই নথিপত্ৰ কম্পিউটাৰৰ জৰিয়তে তৈয়াৰ কৰা, মুদ্ৰণ কৰা বা বিশ্ববিদ্যালয়/মহাবিদ্যালয়ৰ চৰকাৰী লেটাৰহেডত হাতেৰে লিখা হ’ব পাৰে। নথিপত্ৰত সংশ্লিষ্ট কৰ্তৃপক্ষৰ ছিল আৰু স্বাক্ষৰ থাকিব লাগিব।

5.5.3. ব'না ফাইড প্ৰমাণপত্ৰ-ৰ এটা নমুনা আজিম প্ৰেমজী স্ক'লাৰশ্বিপ-ৰ ৱেবছাইট আৰু আবেদন প'ৰ্টেলত উপলব্ধ আছে। ইয়াক বিশ্ববিদ্যালয় বা মহাবিদ্যালয়ৰ চৰকাৰী লেটাৰহেডত মুদ্ৰণ কৰিব পাৰি।

5.5.4. যদি হাতেৰে লিখা হয়, তেন্তে লিখাখিনি স্পষ্টকৈ পঢ়িব পৰা হ’ব লাগিব আৰু 5.5.1-ত উল্লেখ কৰা সকলো তথ্য স্পষ্টকৈ দেখা যাব লাগিব।

5.5.5. সম্পাদনা কৰা, AI-ৰ সহায়ত তৈয়াৰ কৰা বা ক্ৰপ কৰি উলিওৱা ব'না ফাইড প্ৰমাণপত্ৰ গ্ৰহণ কৰা নহ’ব। যদি কোনো ধৰণৰ জালিয়াতি ধৰা পৰে, তেন্তে আবেদনকাৰীক কালো তালিকাভুক্ত কৰা হ’ব।

5.5.6. ফাইলৰ ধৰণ JPEG, JPG, PNG বা পি.ডি.এফ. (PDF) হ’ব লাগিব। ফাইলৰ আকাৰ 30 KBৰ পৰা 500 KB-ৰ ভিতৰত হ’ব লাগিব। ইয়াৰ বাহিৰে অন্য কোনো ফাইলৰ ধৰণ বা আকাৰ গ্ৰহণ কৰা নহ’ব।

### 5.6. নামভৰ্তিৰ টিউচন ফীৰ ৰচিদ

5.6.1. নামভৰ্তিৰ প্ৰমাণপত্ৰত আবেদনকাৰীৰ নাম, মহাবিদ্যালয়ৰ নাম, পাঠ্যক্ৰম আৰম্ভ হোৱাৰ তাৰিখ/বৰ্তমান অধ্যয়নৰ বৰ্ষ আৰু পাঠ্যক্ৰমৰ ধৰণ স্পষ্টকৈ দেখা যাব লাগিব।

5.6.2. টিউচন ফীৰ ৰচিদত অৱশ্যেই ক্ৰমিক নম্বৰ আৰু লেনদেনৰ তাৰিখ থাকিব লাগিব। নথিপত্ৰখনত কোনো ধৰণৰ কাটি-লিখা, ওপৰত আকৌ লিখা (overwriting) বা আন কোনো সম্পাদনা কৰা

হোৱা নালাগে।

5.6.3. এই নথিপত্ৰ কম্পিউটাৰৰ জৰিয়তে তৈয়াৰ কৰা, মুদ্ৰণ কৰা বা বিশ্ববিদ্যালয়/মহাবিদ্যালয়ৰ চৰকাৰী লেটাৰহেডত হাতেৰে লিখা হ'ব পাৰে। নথিপত্ৰত সংশ্লিষ্ট কৰ্তৃপক্ষৰ ছিল আৰু স্বাক্ষৰ থাকিব লাগিব।

5.6.4. সম্পাদনা কৰা, AI-ৰ সহায়ত তৈয়াৰ কৰা বা ক্ৰপ কৰি উলিওৱা নামভৰ্তিৰ টিউচন ফীৰ ৰচিদ গ্ৰহণ কৰা নহ'ব। যদি কোনো ধৰণৰ জালিয়াতি ধৰা পৰে, তেন্তে আবেদনকাৰীক কালো তালিকাভুক্ত কৰা হ'ব।

5.6.5. ফাইলৰ ধৰণ JPEG, JPG, PNG বা পি.ডি.এফ. (PDF) হ'ব লাগিব। ফাইলৰ আকাৰ 30 KBৰ পৰা 500 KB-ৰ ভিতৰত হ'ব লাগিব। ইয়াৰ বাহিৰে অন্য কোনো ফাইলৰ ধৰণ বা আকাৰ গ্ৰহণ কৰা নহ'ব।